গড়গাঁও মহাবিদ্যালয়

GARGAON COLLEGE

NAAC accredited with 'B' Grade

অসমীয়া বিভাগ

শিমলুগুৰি, শিৱসাগৰ

Department of Assamese

Programme Outcome2022-23

পাঠ্যক্ৰমসমূহৰ উদ্দেশ্য

ক] প্ৰথম ষাণ্মাসিক

**১] পাঠ্যক্ৰমৰ নাম–অসমীয়া সাহিত্যৰ বুৰঞ্জী [শংকৰোত্তৰ যুগ পৰ্যন্ত]**

পাঠ্যক্ৰম সংখ্যা- C-1[ ৬ ক্ৰেডিট]

পাঠ্যক্ৰমৰ উদ্দেশ্যঃ এই কাকতৰ যোগেদি প্ৰথমতে অসমীয়া সহিত্যৰ যুগবিভাজনৰ পৰিচয়েৰে ছাত্ৰ-ছাত্ৰীসকলক অসমীয়া সাহিত্যৰ সমগ্ৰ পৰিক্ৰমাৰ এক সাধাৰণ পৰিচয় প্ৰদান কৰি লৈ তাৰ পাছত লোক সাহিত্যৰ পৰা শংকৰোত্তৰ যুগলৈকে ৰচিত অসমীয়া সাহিত্যৰাজিৰ সামগ্ৰিক গতি-প্ৰকৃতিৰ ধাৰণা দিবলৈ বিচৰা হৈছে।

**২] পাঠ্যক্ৰমৰ নাম–অসমীয়া সাহিত্যৰ বুৰঞ্জী [অৰুণোদই যুগৰ পৰা সাম্প্ৰতিক কাল পৰ্যন্ত]**

পাঠ্যক্ৰম সংখ্যা- C-2[ ৬ ক্ৰেডিট]

পাঠ্যক্রমৰ উদ্দেশ্যঃ সাহিত্যৰ বুৰঞ্জীৰ অন্তৰ্গত হিচাপে ছাত্ৰ-ছাত্ৰীসকলক আধুনিক অসমীয়া ভাষা-সাহিত্যৰ প্ৰতিষ্ঠাকালৰে পৰা সাম্প্ৰতিক কাললৈকে সাহিত্যৰ গতি-প্ৰকৃতিৰ ধাৰণাৰ প্ৰদানেই এই কাকতৰ উদ্দেশ্য।

## খ] দ্বিতীয় ষাণ্মাসিক

### ৩] পাঠ্যক্ৰমৰ নাম–ভাষা বিজ্ঞানৰ পৰিচয়

পাঠ্যক্ৰম সংখ্যা- C-3[ ৬ ক্ৰেডিট]

পাঠ্যক্ৰমৰ উদ্দেশ্যঃ প্ৰাচ্য আৰু পাশ্চাত্যৰ ভাষা সম্পৰ্কীয় চিন্তা-চৰ্চাৰ ইতিহাস জনাৰ লগতে ভাষা আৰু ভাষা বিজ্ঞান সম্পৰ্কীয় বিভিন্ন দিশসমূহৰ পৰিচয় পাব পৰাকৈ এই কাকতখন প্ৰস্তুত কৰা হৈছে।

### ৪] পাঠ্যক্ৰমৰ নাম–সাহিত্যতত্ত্ব

পাঠ্যক্ৰম সংখ্যা- C-4[ ৬ ক্ৰেডিট]

পাঠ্যক্ৰমৰ উদ্দেশ্যঃ  অসমীয়া সাহিত্য অধ্যয়নৰ তাত্ত্বিক আধাৰৰূপে ভাৰতীয় তথা পাশ্চাত্য সাহিত্যতত্ত্বৰ জ্ঞান অপৰিহাৰ্য। এই দুয়ো পৰম্পৰাৰ সাহিত্যতত্ত্ব প্ৰাথমিক জ্ঞান দিবৰ বাবে এই কাকত প্ৰস্তুত কৰা হৈছে।

## গ]তৃতীয় ষাণ্মাসিক

### ৫] পাঠ্যক্ৰমৰ নাম–সাহিত্য সমালোচনা

পাঠ্যক্ৰম সংখ্যা- C-5[ ৬ ক্ৰেডিট]

পাঠ্যক্ৰমৰ উদ্দেশ্যঃ সাহিত্য সমালোচনাৰ সাহিত্য অধ্যয়নৰ অপৰিহাৰ্য অংগ। সেয়েহে বিভিন্ন প্ৰকাৰৰ সাহিত্য সমালোচনাৰ পৰিচয় আৰু পদ্ধতি তথা বিভিন্ন প্ৰকাৰৰ সাহিত্যৰ স্বৰূপ সম্পৰ্কীয় ধাৰণা প্ৰদানৰ উদ্দেশ্য কৰি এই কাকতখন প্ৰস্তুত কৰা হৈছে।

**৬] পাঠ্যক্ৰমৰ নাম–অসমীয়া কবিতাৰ চানেকি**

পাঠ্যক্ৰম সংখ্যা- C-6 [ ৬ ক্ৰেডিট]

পাঠ্যক্ৰমৰ উদ্দেশ্যঃ লোক কবিতাৰ পৰা আৰম্ভ হোৱা অসমীয়া কবিতাৰ গতি-প্ৰকৃতিৰ সম্পৰ্কে ধাৰণা দিয়াৰ উদ্দেশ্যে এই কাকতখন প্ৰস্তুত কৰা হৈছে। কবিতাৰ বিশদ ধাৰণাৰ কাৰণে আৰম্ভণিৰ পৰা আধুনিক কাল পৰ্যন্ত কেইটিমান নিৰ্বাচিত কবিতা এই কাকতত বিশেষভাৱে পঢ়িবলৈ দিয়া হৈছে।

**৭] পাঠ্যক্ৰমৰ নাম–অসমৰ সংস্কৃতি অধ্যয়ন**

পাঠ্যক্ৰম সংখ্যা- C-7 [ ৬ ক্ৰেডিট]

পাঠ্যক্ৰমৰ উদ্দেশ্যঃ সংস্কৃতিৰ সাধাৰণ ধাৰণাসহ অসমৰ নৃ-গোষ্ঠী আৰু সংস্কৃতিৰ সম্পৰ্কে ছাত্ৰ-ছাত্ৰীক অৱগত কৰাবৰ বাবে এই কাকতখন প্ৰস্তুত কৰা হৈছে।

**ঘ]চতুৰ্থ ষাণ্মাসিক**

**৮] পাঠ্যক্ৰমৰ নাম–তুলনামূলক সাহিত্যৰ পদ্ধতি আৰু প্ৰয়োগ**

পাঠ্যক্ৰম সংখ্যা- C-8 [ ৬ ক্ৰেডিট]

পাঠ্যক্ৰমৰ উদ্দেশ্যঃ এই কাকতে সাহিত্য অধ্যয়নৰ জগতত উদীয়মান বিষয় তুলনামূলক সাহিত্যৰ সাধাৰণ ধাৰণা দিয়াৰ লগতে ভাৰতীয় সাহিত্য তথা অসমীয়া সাহিত্যৰ প্ৰেক্ষাপটত তুলনামূলক সাহিত্য অধ্যয়নৰ প্ৰাসংগিকতা আৰু প্ৰণালীৰ আভাস দিব।

**৯] পাঠ্যক্ৰমৰ নাম–ভাৰতীয় আৰ্য ভাষা আৰু অসমীয়া ভাষা**

পাঠ্যক্ৰম সংখ্যা- C-9 [ ৬ ক্ৰেডিট]

পাঠ্যক্ৰমৰ উদ্দেশ্যঃ  ভাৰতীয় আৰ্যভাষাৰ ক্ৰমবিকাশৰ ৰূপৰেখা আৰু সংস্কৃত, পালি আৰু প্ৰাকৃত ব্যাকৰণৰ বৈশিষ্ট্যসমূহৰ পৰিচয় পৰাকৈ কাকতখন প্ৰস্তুত কৰা হৈছে। সংস্কৃত, পালি আৰু প্ৰাকৃত ভাষাৰ স্বৰূপৰ লগত পৰিচয় প্ৰদানৰ বাবে এই ভাষাৰবোৰৰ নিৰ্বাচিত পাঠ অধ্যয়ন কৰিবলৈ দিয়া হৈছে।

**১০] পাঠ্যক্ৰমৰ নাম–অসমীয়া গদ্যৰ চানেকি [ক]**

পাঠ্যক্ৰম সংখ্যা- C-10 [ ৬ ক্ৰেডিট]

পাঠ্যক্ৰমৰ উদ্দেশ্যঃ  প্ৰাচীন কালতে উদ্ভৱ ঘটা অসমীয়া গদ্য সাহিত্যই আধুনিক কালত আহি বৈবিধ্য-বৈচিত্ৰ্যময় ৰূপ লাভ কৰেহি। এই কাকতত এই গদ্যৰ গতি-ধাৰাৰ সম্পৰ্কে অৱগত হ'বৰ বাবে নিৰ্বাচিত পাঠসহ ধাৰণা দিবৰ চেষ্টা কৰা হৈছে।

**ঙ] পঞ্চম ষাণ্মাসিক**

১১] পাঠ্যক্ৰমৰ নাম–অসমীয়া নাটক

পাঠ্যক্ৰম সংখ্যা- C-11 [ ৬ ক্ৰেডিট]

পাঠ্যক্ৰমৰ উদ্দেশ্যঃ  অসমীয়া নাট্য সাহিত্যৰ আভাসৰ বাবে প্ৰাচীন কালৰে পৰা সৃষ্টি হোৱা কেইখনমান নিৰ্বাচিত নাটক অধ্যয়নেৰে অসমীয়া নাট্য সাহিত্যৰ গতি-বিধি সম্পৰ্কে এই কাকতখনৰ জৰিয়তে জানিব পাৰিব।

**১২] পাঠ্যক্ৰমৰ নাম–অসমীয়া ভাষাৰ ভাষাবৈজ্ঞানিক অধ্যয়ন**

পাঠ্যক্ৰম সংখ্যা-C-12[ ৬ ক্ৰেডিট]

পাঠ্যক্ৰমৰ উদ্দেশ্যঃ  অসমীয়া ভাষাৰ ধ্বনিতত্ত্ব, ৰূপতত্ত্ব, বাক্যতত্ত্বৰ সম্পৰ্কে পৰিচয় পাব পৰাকৈ এই কাকতখন যুগুত কৰা হৈছে।

**১৩] পাঠ্যক্ৰমৰ নাম–অসমীয়া ব্যাকৰণ, অভিধান, আৰু জতুৱা প্ৰয়োগ**

পাঠ্যক্ৰম সংখ্যা- DSE-1 [ ৬ ক্ৰেডিট]

পাঠ্যক্ৰমৰ উদ্দেশ্য-অসমীয়া ভাষাৰ শুদ্ধ উচ্ছাৰণ, শুদ্ধ আখৰ জোঁটনি, অসমীয়া জতুৱা ঠাঁচ আৰু খণ্ডবাক্যৰ প্ৰয়োগৰ লগতে উপযুক্ত পৰিভাষাৰ প্ৰয়োগ, অসমীয়া ব্যাকৰণৰ বিবিধ দিশ আৰু অসমীয়া অভিধানৰ সাধাৰণ পৰিচয় পাব  পৰাকৈ কাকতখন প্ৰস্তুত কৰা হৈছে।

**১৪] পাঠ্যক্ৰমৰ নাম–ভাৰতীয় সাহিত্যৰ পৰিচয়**

পাঠ্যক্ৰম সংখ্যা- DSE-2 [ ৬ ক্ৰেডিট]

পাঠ্যক্ৰমৰ উদ্দেশ্য-বহু ভাষাৰে প্ৰকাশ লাভ কৰা ভাৰতীয় সাহিত্যৰ একক ৰূপত পৰিচয় প্ৰদানৰ লগতে নিৰ্বাচিত ৰচনাৰ অধ্যয়নৰ যোগেদি তাৰ কিছু আভাস দিবৰ উদ্দেশ্যৰে এই কাকতখনি পাঠ্যক্ৰমত সন্নিবিষ্ট কৰা হৈছে।

চ] ষষ্ঠ ষাণ্মাসিক

**১৫] পাঠ্যক্ৰমৰ নাম–অসমীয়া গদ্যৰ চানেকি [খ]**

পাঠ্যক্ৰম সংখ্যা-C-13 [ ৬ ক্ৰেডিট]

পাঠ্যক্ৰমৰ উদ্দেশ্যঃ অসমীয়া গদ্যৰ নিৰ্বাচিত অংশৰ অধ্যয়নৰ যোগেদি আধুনিক কালৰ সৃষ্টিশীল গদ্য সাহিত্যৰ গতি-প্ৰকৃতি সম্পৰ্কে ছাত্ৰ-ছাত্ৰীয়ে জানিব পৰাকৈ এই কাকত প্ৰস্তুত কৰা হৈছে।

**১৬] পাঠ্যক্ৰমৰ নাম-অসমৰ ভাষা আৰু লিপি**

পাঠ্যক্ৰম সংখ্যা c-14 [ ৬ ক্ৰেডিট]

পাঠ্যক্ৰমৰ উদ্দেশ্যঃ  এই কাকতখনৰ যোগেদি অসমৰ ভাষাৰ সাধাৰণ পৰিচয়ৰ লগতে অসমীয়া ভাষা আৰু উপভাষাৰ সাধাৰণ পৰিচয় ছাত্ৰ-ছাত্ৰীসকলে পাব পাৰিব। অসমৰ ভাষাৰ ভাষাতাত্ত্বিক বৈশিষ্ট্য, অসমীয়া ভাষা আৰু আৰ্যভিন্ন ভাষাৰ আদান-প্ৰদান ইত্যাদি বিষয়সমূহৰ সামগ্ৰিক পৰিচয় পাব পৰাকৈ এই কাকতখন প্ৰস্তুত কৰা হৈছে।

**১৭] পাঠ্যক্ৰমৰ নাম-বিশ্ব সাহিত্যৰ পৰিচয়**

পাঠ্যক্ৰম সংখ্যা- DSE-3 [ ৬ ক্ৰেডিট]

পাঠ্যক্ৰমৰ উদ্দেশ্য-'বিশ্ব সাহিত্য' সম্পৰ্কে ছাত্ৰ-ছাত্ৰী ধাৰণা স্পষ্ট কৰিবৰ বাবে এই কাকতখন প্ৰস্তুত কৰা হৈছে। বিশ্ব সাহিত্যৰ ধাৰণা বা  আভাস দিবৰ বাবে ইয়াতে কিছুমান বিশ্ব খ্যাত পাঠ ছাত্ৰ-ছাত্ৰীক অধ্যয়ন কৰিবলৈ দিয়া হৈছে।

**১৮] পাঠ্যক্ৰমৰ নাম-বিশেষ লেখক**

পাঠ্যক্ৰম সংখ্যা- DSE 4(B)[ ৬ ক্ৰেডিট]

পাঠ্যক্ৰমৰ উদ্দেশ্য-ভূপেন হাজৰিকা, ভবেন্দ্ৰ নাথ শইকীয়া, বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্য, মামণি ৰয়চম গোস্বামী আৰু নিৰুপমা বৰগোহাঞিৰ দৰে অসমীয়া সাহিত্যৰ কেইজনমান প্ৰতিষ্ঠিত সাহিত্যিকৰ জীৱন আৰু সাহিত্যকৃতিৰ আভাস দিবৰ উদ্দেশ্য কৰি এই কাকতখন প্ৰস্তুত কৰা হৈছে। ছাত্ৰ-ছাত্ৰীসকলে ইয়াত তেওঁলোকে নিৰ্বাচন কৰা সাহিত্যিকগৰাকীক প্ৰজ্ঞা আৰু সাধনাক অনুধামন কৰাৰ সুযোগ পাব।

**অসমীয়া পাঠ্যক্ৰম পঢ়ি প্ৰতিষ্ঠিত হ'ব পৰা সম্ভাৱিত ক্ষেত্ৰসমূহঃ**

- সাহিত্য (Literary world)
- শিক্ষকতা (Teahing)
- প্ৰকাশন শাখা (Publishing houses)
- অনুবাদৰ ক্ষেত্ৰত (Translation)
- থিয়েটাৰ ক্ষেত্ৰত (In the field of theatre)
- আবত্তি (In the field recitation)
- কলা-শিল্পৰ লগত জড়িত উদ্যমিতা (In various fields of arts and crafts entrepreneurship )
- সাংস্কৃতিক পৰ্যটন(Cultural tourism)
- ভাষা বিশেষজ্ঞ ৰূপত প্ৰযুক্তি জগতত (In the areas of use of Assamese language on the Internet)
- ৰেডিঅ' , টেলিভিছনৰ ক্ষেত্ৰত (Radio, television )
- গ্ৰন্থৰ ক্ষেত্ৰত (Recovery and editing of old books)
- ভাষাৰ ক্ষেত্ৰত (Language Sector)
- অসমীয়া ডিটিপি (Assamese DTP)
- আৰ্হি পাঠ চাওঁতা ৰূপত (Proofreader)
- কিতাপৰ বিপননৰ ক্ষেত্ৰত (Book publishing-distribution –shops)

- অন্যান্য ( Other vocational fields: Indian Military and Civil Services Examinations, Assam Public Service Commission Examinations, Private or Public Sector Bank opportunities are suitable for Assamese students)

বিভাগীয় প্ৰধান
অসমীয়া বিভাগ
গড়গাঁও মহাবিদ্যালয়